# ডাংবৰলাৰ কেঁচুৱা দৰ্শন

## TEXTUAL QUESTIONS AND ANSWERS

---

### ক্ৰিয়া-কলাপ

### প্ৰশ্ন ১: চমু উত্তৰ দিয়া –

( ক ) ডাংবৰলা কাৰ পুতেক আছিল ?

**উত্তৰঃ** ডাংবৰলা নুমলিৰ পুতেক আছিল ।

( খ ) লেখকে কোন তিনিটা কাম বৰ টান বুলি কৈছে ?

**উত্তৰঃ** ৰজাৰ আগত কথা কোৱা , মদাৰ গছত উঠি পাণ পৰা আৰু কাৰৈ মাছ বছা — এই তিনিটা কাম বৰ টান বুলি লেখকে কৈছে ।

( গ ) মোমায়েকৰ ঘৰলৈ মাকে ডাংবৰলাক কিয় যাবলৈ কৈছিল আৰু হাতত কি দি পঠাইছিল ?

**উত্তৰঃ** ডাংবৰলাৰ মোমায়েকৰ জীয়েক হেমীৰ এটি ল’ৰা জন্মিছিল । সেই খবৰটো লোৱাৰ বাবে মাকে ডাংবৰলাক মোমায়েকৰ ঘৰলৈ যাবলৈ কৈছিল । ডাংবৰলাই যাবলৈ ওলোৱাত মাকে তাৰ হাতত ৰূপ দুটকা দি পঠাইছিল ।

( ঘ ) ডাংবৰলাই কেচুৱাৰ নাকটোক কাৰ নাকৰ দৰে হোৱা বুলি ৰিজনি দিছিল ?

**উত্তৰঃ** ডাংবৰলাই কেঁচুৱাটোৰ নাকটোক বাপেকৰ নাৰ দৰে হোৱা বুলি ৰিজনি দিছিল ।

( ঙ ) ডাংবৰলাই মোমায়েকৰ ঘৰত কিয় নাথাকিলে ?

**উত্তৰঃ** ডাংবৰলাই কোলাত লওঁতে কেঁচুৱাটিয়ে কন্দাত তাত থকা তিৰোতাবিলাকে দিয়া মন্তব্যই তাৰ মনত আঘাত দিছিল । সেয়ে ডাংবৰলাই মোমায়েকৰ ঘৰত নেথাকিলে ।

( চ ) পিছৰ দিনা ডাংবৰলাৰ মাকে কিহত উঠি ককাইদেউৰ ঘৰলৈ গৈছিল ?

**উত্তৰঃ** পিছৰ দিনা ডাংবৰলাৰ মাকে গৰুৰ গাড়ীত উঠি ককাইদেউৰ ঘৰলৈ গৈছিল ।

( ছ ) ' ডাংবৰলাৰ কেঁচুৱা দৰ্শন ' পাঠটিৰ লেখক কোন ?

**উত্তৰঃ** ' ডাংবৰলাৰ কেঁচুৱা দৰ্শন ' পাঠটিৰ লেখক হ'ল ' বনফুল ' ৰ কবি যতীন্দ্ৰ নাথ দুৱৰা ।

( জ ) কোন মাহত ডাংবৰলা মাে মায়েকৰ ঘৰলৈ গৈছিল আৰু কিয় ?

**উত্তৰঃ** মাঘ মাহত গৈছিল । মাে মায়েকৰ ছাে ৱালী হেমীৰ ল'ৰা জন্মাৰ খবৰ ল'বলৈ গৈছিল ।

**প্ৰশ্ন ২: ডাংবৰলাৰ মাে মায়েকৰ ঘৰখনৰ এটি বিৱৰণ দিয়া ।**

**উত্তৰঃ** ডাংবৰলাৰ মাে মায়েকৰ ঘৰখন আটোম টোকাৰি । মাটিয়ে – বাৰীয়ে মাে মায়েক গাঁৱৰ ভিতৰত এজন আঢ্যৱন্ত লাে ক । পুখুৰীত মাছ, গোহালিত গৰু , বাৰীত শাক – পাচলি সকলাে আছে । মাহতলী , সৰিয়হতলী নদন বদন । কাৰো ওচৰত হাত পাতিব নালাগে । তেলকণাে ঘৰতে পেৰি লয় । ঘৰত কেবাখনাে তাঁতশাল আছে । ঘৰৰ তিৰাে তা আটাই কেইগৰাকীয়েই কাজী । তেওঁলাে কে ঘৰৰ আন কাম কৰাৰ লগতে তাঁতশালত বাে ৱা কটাৰ কাম কৰে ।

**প্ৰশ্ন ৩: গল্পটিৰ কোনটি চৰিত্ৰই তাে মাৰ মনত হাঁহিৰ খাে ৰাক যাে গায় বুলি ভাবা ? সেই চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** গল্পটিৰ ডাংবৰলা চৰিত্ৰটিয়ে মাে ৰ মনত হাঁহিৰ খাে ৰাক যাে গায়।ডাংবৰলা এটি সহজ – সৰল চফল ডেকা । পিছে তাৰ কাম-বন কৰিবলৈ এলাহ । আনকি মাকে কৈ থকাৰ পিছতাে তাৰ বিয়া কৰাবলৈও এলাহ । সি বাহিৰলৈ যাবলৈ টান পায় বাবে ঘৰতে থাকে , অলপ অজলা ধৰণৰ । মানুহৰ লগত মিলা – মিছা কৰা বা কথা বতৰা পতাত তাৰ মনত এটা সংকোচ ভাৱ থাকে । কিছুমান মানুহৰ কিছুমান কথা – বতৰা তাৰ বুজি পাে ৱাৰ অসুবিধা হয় । কেঁচুৱা এটিৰ অকণমান মুখলৈ চাই কোনাে বাই কেঁচুৱাটি ' মাক গঢ়ী ' , বাপেক গঢ়ী ' বুলি ক'লে ডাংবৰলাৰ আচৰিত লাগে ।

ইমান অকণমান মুখ এখনিৰ সৈতে ডাঙৰৰ মুখৰ ৰিজনি কিদৰে কৰে সি বুজি নাপায়। পৰিস্থিতি – পৰিৱেশৰ লগত খাপ খাব নাে ৱাৰি দোধাে ৰ – মাে ধাে ৰ পৰি সি প্ৰায়ে আনে হঁহা কাম কৰে । কেঁচুৱাটিৰ কাপাে ৰেৰে ঢাকি থাে ৱা হাত দুখন নেদেখি মাকে দি পঠোৱা ৰূপ দুটা সেয়ে সি কেঁচুৱাটিৰ কাপাে ৰৰ ওপৰতে থৈছিল ।মাহীয়েকে কেঁচুৱাটিৰ

নাক , কাণ , চকু আদিৰ ৰিজনি দি হাঁহিয়াৰ পাত্ৰ হৈছিল । আনকি বহু সময় একো নাোকোৱাকৈ থাকিলে বেয়া দেখি বুলি ভাবি লৈ এওঁলাোকেনো ( কেঁচুৱাই ) ভাত কিহেৰে খায় ? ' বুলি হাঁহি উঠা অদ্ভুত প্ৰশ্নও সুধিছিল।

**প্ৰশ্ন ৪: ডাংবৰলাৰ মাক কেনেধৰণৰ তিৰাোতা আছিল ? বিশ্লেষণ কৰা।**

**উত্তৰঃ** ডাংবৰলাৰ মাক পুতেক তথা আত্মীয় – স্বজনৰ প্ৰতি দায়িত্ববাোধ থকা , কমকৈ কথা কোৱা অলপ অভিমানী ধৰণৰ তিৰাোতা আছিল । পুতেকৰ প্ৰতি থকা তেওঁৰ দায়িত্বৰ কথা বুজিয়ে তেওঁ ডাংবৰলাক কোবাবাৰো বিয়া কৰাবলৈ কৈছিল । ডাংবৰলাই বিয়া কৰাবলৈ মন নেমেলা দেখি কমকৈ কথা কোৱা মাকে সেই বিষয়ে আৰু একো নাোকোৱা হৈছিল । পুতেকে তেওঁৰ কথাত গুৰুত্ব নিদিয়া দেখি মাকৰ অলপ

অভিমানো হৈছিল । আত্মীয় – স্বজনৰ প্ৰতি থকা ডাংবৰলাৰ মাকৰ দায়িত্ববাোধৰ কথাৰ প্ৰমাণ পাোৱা যায় মাকে ডাংবলাক মাোমায়েকৰ ঘৰলৈ পঠোৱা কথাটোত।

আত্মীয় – স্বজনৰ ঘৰত ভাল – বেয়া কিবা এটা ঘটিলে খবৰ লাোৱাটো সকলে মানুহৰ কৰ্তব্য । ককায়েকৰ জীয়েক হেমীৰ ল'ৰা হাোৱা শুনি সেয়ে মাকে ডাংবৰলাক খবৰ এটি লাোৱাৰ বাবে মাোমায়েকৰ ঘৰলৈ পঠাইছিল । আনকি ডাংবৰলাই মাোমায়েকৰ ঘৰৰ পৰা ঘূৰি অহাৰ পিছত তাৰ মুখে ককায়েক হঁতৰ ঘৰৰ বিশেষ খবৰ নাপায় মাকে নিজে গৰু গাড়ীত উঠি খবৰ ল'বলৈ গৈছিল । এইদৰে ডাংবৰলাৰ মাকক আমি এগৰাকী দায়িত্ববাোধ তথা কৰ্তব্যবাোধ থকা তিৰাোতা হিচাপে দেখিবলৈ পাওঁ ।

**প্ৰশ্ন ৫: পাঠটিত উল্লেখিত অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা দুটা ৰীতি – নীতি উল্লেখ কৰা আৰু এনেবাোৰ ৰীতিনীতি পালনৰ প্ৰয়াোজনীয়তা বৰ্তমান সমাজতাো আছে বুলি তুমি ভাবানে ? তাোমাৰ মতৰ সপক্ষে যুক্তিসহ বহলাই লিখা ।**

**উত্তৰঃ** পাঠটিত উল্লেখিত অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা দুটা ৰীতি – নীতি হৈছে — অশৌচৰ ৰীতি – নীতি আৰু নৱজাতকৰ মুখচোৱা ৰীতি – নীতি ।

এইবাোৰ ৰীতি – নীতিৰ প্ৰয়াোজনীয়তা বৰ্তমান সমাজতো থকা বুলিয়েই আমি ভাবাো । এই ক্ষেত্ৰত সন্তান জন্মিলে পালন কৰা অশৌচৰ কথাই ক'ব পৰা যায় । তিৰাোতা এজনীৰ সন্তান জন্মাৰ পিছত এটা নিৰ্দিষ্ট সময়লৈ ( অশৌচৰ সময়লৈ ) অতি নিকট আত্মীয়ৰ বাদে আন মানুহক মাক বা সন্তানৰ ওচৰলৈ যাবলৈ দিয়া নহব । ইয়াৰ লগত স্বাস্থ্য সম্পৰ্কিত আৰু মনাোবৈজ্ঞানিক কাৰণ নিহিত থকা বুলি ভবাৰ থল আছে।সন্তান জন্ম হাোৱাৰ পিছত মাকজনী সাধাৰণতে শাৰীৰিকভাৱে দুৰ্বল হৈ থাকে । তেনে অৱস্থাত

যিকোনাে মানুহ বাহিৰৰ পৰা গৈ ওচৰ চাপিলে মাকৰ লগতে সন্তানকে বেমাৰৰ বীজাণুৱে আক্ৰমণ কৰাৰ

আশংকা থাকে । আনহাতে , কিছুমান মানুহে নভবা নিচিনাকৈ মাক বা সন্তান সম্পৰ্কে দিয়া অনাহুত মন্তব্যই মাকৰ মনত আঘাত দিব পাৰে যিয়ে সন্তানৰাে ক্ষতি কৰিব । সেইদৰে , নৱজাতকৰ মুখচোৱা ৰীতি – নীতিটোৰ ক্ষেত্ৰতাে মনােবৈজ্ঞানিক কাৰণ নিহিত থকাৰ সম্ভাৱনা দেখা যায় । মাকৰ গৰ্ভত থাকোঁতেই মাকৰ চিন্তা – চৰ্চা তথা পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ সন্তানৰ ওপৰত পৰে বুলি জনা যায় । মহাভাৰতৰ অভিমন্যুৰ ক্ষেত্ৰত আমি ইয়াৰ উদাহৰণ পাওঁ।নৱজাতকক প্ৰথম কিবা এটি দিয়ে । এই কথাটোৱে নৱজাতকৰ মনত হয়তাে কিবা ভাল প্ৰভাৱ পেলায় । আনহাতে , নৱজাতকৰ হাতত মৰমতে কিবা এটি দিলে স্বাভাৱিকভাৱে মাকজনীয়ে সন্তোষ পায় । এইবােৰ কথাই মানুহৰ মাজত আত্মীয়তা বঢ়াই ।

**প্ৰশ্ন ৬: “ আও ! বৰ ডাঙৰ কথা হ’ল , হাইঠা মাটিত পৰিল । আজি নহা মানুহ আহিল ? বাে লাে দুৱাৰ মুখৰ বগৰী জেং কোনে গুচালে ? ” — কোনে কাক কিয় এনেদৰে কৈছে বুজাই লিখা ।**

**উত্তৰঃ** কথাষাৰ সুমী অৰ্থাৎ সুমলাই ডাংবৰলাক কৈছে । ডাংবৰলাই বহুদিন সুমীহঁতৰ অৰ্থাৎ মাে মায়েকহঁতৰ ঘৰলৈ যাে ৱা নাছিল । কিন্তু মাে মায়েকৰ ছাে ৱালী হেমীৰ ল’ৰা হাে ৱা খবৰ ল’বলৈ মাকে তাক যাবলৈ কোৱা বাবে সেইদিনা আবেলি সি মাে মায়েকৰ ঘৰলৈ গৈছিল । বহুত দিনৰ মুৰত যাে ৱা বাবেই চুমীয়ে তাক দেখাৰ লগে লগে হাইঠা মাটিত পৰা বুলি কৈছিল । কাৰণ হাইঠা চৰাই সাধাৰণতে মাটিত নপৰে । হাইঠা চৰাই কেতিয়াবা মাটিত পৰাটো এক ব্যতিক্ৰম । তেনেদৰে , মাে মায়েকৰ ঘৰলৈ বহুদিন ধৰি নাে যাে ৱা ডাংবৰলাই সেইদিনা হঠাতে গৈ ওলাে ৱাটো সুমীৰ মনত এক ব্যতিক্ৰম আছিল ।

**প্ৰশ্ন ৭: “এওঁলোক অবাল ব্ৰহ্ম । এওঁলাে কৰ লগে লগে গোঁসাই ফুৰে । এওঁলাে কে সকলাে জানে , সকলাে বুজে মাথাে ন ক’বহে নাে ৱাৰে । ” — কথাষাৰ কোনে কি প্ৰসঙ্গত কৈছিল বুজাই লিখা ।**

**উত্তৰঃ** কথাষাৰ ডাংবৰলাৰ মাে মায়েকৰ ঘৰত হাে ৱা গাে পিনী সবাহলৈ যাে ৱা তিৰাে তা এগৰাকীয়ে কৈছিল । ডাংবৰলাৰ কোলাৰ কেঁচুৱাটোৱে কান্দিব ধৰা প্ৰসঙ্গত তেওঁ উক্ত কথাষাৰ কৈছিল ।

ডাংবৰলাই কেঁচুৱাটো কোলাত লওঁতে কেঁচুৱাটোৱে তাৰ মুখলৈ চাই চেৰেউ চেৰেউকৈ কান্দিব ধৰাত হেমীয়ে কেঁচুৱাটো নিজৰ কোলালৈ নিছিল । তাৰ অলপ পিছতে এগৰাকী

তিৰাোতাই কেঁচুৰাটোৱে মানুহ চিনে বুলি মন্তব্য দিছিল। আন এগৰাকীয়ে তেওঁলাোকৰ অৰ্থাৎ কেঁচুৰাৰ গাত গোঁসাই থকা বাবে মানুহ চিনি পায় বুলি কৈ আগৰজনী তিৰাোতাৰ কথাত সমৰ্থন জনাইছিল । তেতিয়া আন এগৰাকী তিৰাোতাই উক্ত কথাষাৰেৰে আগৰ দুয়াোজনী তিৰাোতাৰ কথাক সমৰ্থন জনাইছিল ।

## প্ৰশ্ন ৮: পাঠটিৰ মাজেৰে অসমীয়া সমাজ – জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে ?

**উত্তৰঃ** ডাংবৰলাৰ কেঁচুৰা দৰ্শন পাঠটিত অসমীয়া সমাজ – জীৱনৰ কিছুমান চিত্ৰ প্ৰতিফলিত হৈছে । অসমীয়া সমাজ- জীৱনত মানুহে ইজনে- সিজনৰ সুখ – দুখৰ খবৰ লয় , বিপদে – আপদে সহায় – সহযাোগ কৰে। মাকে হেমীৰ লৰা হাোৱাৰ খবৰ ল’বৰ বাবে ডাংবৰলাক মাোমায়েকৰ ঘৰলৈ পঠোৱা কথাটোত পাৰস্পৰিক বুজা বুজি তথা সহযাোগিতাৰ এই ছবিখনৰ আভাস পাোৱা যায় । অসমীয়া সমাজ – জীৱন গাঁও কেন্দ্ৰিক । গাঁৱত মানুহে পাো – নাতি , ককাই – ভাই , পেহী – খুৰী জেঠাই আদি সমন্বিতে একেলগে বাস কৰে । ঘৰত পাোহনীয়া জীৱ – জন্তু , পুখুৰী , শাক – পাচলিৰ বাৰী , তামাোল – পাণৰ বাৰী , তাঁতশাল, ঢেকী আদি থাকে । ডাংবৰলাৰ মাোমায়ে ঘৰখনৰ মাজেদি অসমীয়া সমাজ – জীৱনৰ এই ছৱিখন ফুটাই তাোলা হৈছে । অসমীয়া সমাজ – জীৱনত বিভিন্ন ৰীতি – নীতি , বিশ্বাস , লাোকাচাৰ আদিৰ প্ৰভাৱ আছে।ডাংবৰলাৰ মাোমায়েকৰ ঘৰত হাোৱা গাোপিনী সবাহ , হেমীৰ অশৌচ লগা আদি কথাবোৰ সেইবাোৰ চিত্ৰ প্ৰতিফলিত কৰিছে ।

## ভাষা-বিচাৰ

## প্ৰশ্ন ১: যতি চিহ্ন ব্যৱহাৰ কৰা –

( ক ) মাইদেৱে মাহীদেউক ক’লে ই ল’ৰা মানুহ ইয়াকনাো কেলেই সুধিছিল সি কি বুজে ।

**উত্তৰঃ** মাইদেৱে মাহীদেউক ক’লে— “ ই ল’ৰা মানুহ , ইয়াকনাো কেলেই সুধিছিল ? সি কি বুজে ।”

( খ ) তেওঁ ভিতৰলৈ মাত লগালে — অ ’ সুমি সুমি চাও ককায়েৰ আহিছে ওলাই আহ ।

**উত্তৰঃ** তেওঁ ভিতৰলৈ মাত লগালে— “ অ ’ সুমি ! সুমি ! চাও ককায়েৰ আহিছে ওলাই আহ । ”

**প্ৰশ্ন ২: ডাব বহলাই লিখা –**

**( ক ) হাইঠা মাটিত পৰিল ।**

**উত্তৰঃ** হাইঠা চৰাই সাধাৰণতে মাটিত নপৰে । কেতিয়াবা পৰাটো এক ব্যতিক্ৰম । তেনেকুৱা হ'লে কথাটো কোনেও আশা নকৰা , নােহােৱা – নােপােজা এক আচৰিত ঘটনা বুলি বিবেচিত হয় । মানুহৰ ক্ষেত্ৰত এই বাক্যটি সাধাৰণতে কোনাে মানুহৰ আকস্মিক বা আশা নকৰা উপস্থিতিত ব্যৱহাৰ কৰা হয় । কোনাে মানুহ প্ৰথমবাৰৰ বাবে বা বহুত দিনৰ মূৰত কোনাে ঠাইত বা কাৰােবাৰ ঘৰত আকস্মিকভাবে উপস্থিত হলে মানুহে হাইঠা মাটিত পৰা বুলি কয় । অৰ্থাৎ , কেতিয়াও মাটিত নপৰা হাইঠা চৰাই মাটিত পৰাটো যেনে এক আচৰিত ঘটনা , কোনাে মানুহ কোনাে ঠাই তথা কাৰােবাৰ ঘৰত প্ৰথমবাৰৰ বাবে বা বহুত দিনৰ মূৰত আকস্মিকভাৱে উপস্থিত হােৱাটোও তেনে এক আচৰিত

ঘটনা । কাৰণ , তেওঁ যি ঠাইত গৈছে তাৰ কোনেও ভবা নাছিল তেওঁ যে যাব । বাক্যটো ইতিবাচক । কাৰণ মানুহজনৰ উপস্থিতিক ভালভাৱে গ্ৰহণ কৰিয়েই হাইঠা মাটিত পৰা বুলি কোৱা হয় ।

**( খ ) মাকতকৈ জীয়েক কাজি ঢেঁকী থােৰাৰে বটে পাঁজি ।**

**উত্তৰঃ** বােৱা – কটাৰ কামত পাকৈত তিৰােতাক কাজি বুলি কোৱা হয়। তিৰােবিলাকে সাধাৰণতে নিজৰ জীয়েকক বােৱা কটাৰ কাম শিকায় । কিন্তু কেতিয়াবা হয় কি , কামটো ভালকৈ নিশিকাকৈয়ে জীয়েকে মাকতকৈ বেছি ওস্তাদ দেখুৱাব যায় , যাৰ ফলত কামটো বেয়া হয় আৰু নিজেও হাঁহিয়াৰ পাত্ৰ হয় । শিপিনীয়ে শলা কাঠিতহে পাঁজি বটে । কিন্তু কোনােবাই যদি নিজৰ পাৰ্গতালি দেখুৱাব গৈ পাঁজি বটোতে শলাকাঠিৰ ঠাইত টেকীথােৰা ব্যৱহাৰ কৰিব যায় , ই স্বাভাৱিকতে হাঁহি উঠা কথা হ'ব আৰু সেইজনী শিপিনীৰ জ্ঞানৰ নমুনাও মানুহে দেখিব । আচলতে বাক্যটোৰ দ্বাৰা কোনাে কাম ভালকৈ নিশিকাকৈ কামটোত পাৰ্গতালি দেখুৱাব যােৱা মানুহৰ কথা বুজাইছে । তেনে মানুহৰ ক্ষেত্ৰত ব্যঙ্গাত্মক ৰূপত বাক্যটি ব্যৱহাৰ কৰা হয় ।

**প্ৰশ্ন ৩: বাক্য ৰচনা কৰা –**

নদন-বদন , সাতে – সোঁতৰে , আটোম-টোকাৰি , ডাংবৰলা , শামকটা ।

**উত্তৰঃ নদন-বদন** — এতিয়া তাৰ অভাৱ বুলিবলৈ একো নাই , চাৰিওফালে নদন-বদন ।

**সাতে – সোঁতৰে** – কৈ থাকি একো লাভ নাই , সাতে – সোঁতৰে মুঠতে সি আমাৰ টিমৰ হৈ নেখেলে ।

**আটোম-টোকাৰি** — মানুহজনে ঘৰখন বেছ আটোম টোকাৰি কৈ ৰাখিছে ।

**ডাংবৰলা** — সি গাৰেটেই জীৱন বৰলা হৈয়েই কটালে ।

**শামকটা** — ৰাতিপুৱাৰে পৰা চলি থকা শাহু – বাৱৰীৰ কাজিয়াখনৰ এতিয়াহে শাম কাটিছে ।

**প্ৰশ্ন ৪: শব্দাৰ্থ লিখা –**

দৰ্শন , আটোম-টোকাৰি , আঢ্যবন্ত , ৰাৰেষ , বিপাং , কাজী , লেঠা।

**উত্তৰঃ** দৰ্শন – দৃষ্টি , দেখা , জ্ঞান ।

আটোম-টোকাৰি। – পৰিপাটি , নিয়াৰি ,জঞ্জাল নথকা।

আঢ্যবন্ত – ধনী, চহকী ।

ৰাৰেষ – ক্ৰোধ, খং, ৰাগ ।

বিপাং – নিৰুপায় অৱস্থা ।

কাজী – বাৱৰা-কটাত নিপুণ তিৰোতা ।

লেঠা – জঞ্জাল , সমস্যা , আসোঁৱাহ ।